জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৭৫/২০২৩**

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ একবিংশতিতম দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# বিদ্যাৰ্থীসকলে সুন্দৰক আৰাধনা কৰাৰ সপোন দেখিব লাগিব ঃ মুখ্যমন্ত্ৰী

# আজি ৰাজ্যৰ বাহিৰত অসমৰ বিষয়ে ইতিবাচক আলোচনা আৰম্ভ হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ মে’** ঃ উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াৰ উপস্থিতিত আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ একবিংশতিতম দীক্ষান্ত সমাৰোহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই দীক্ষান্ত সমাৰোহে শৈক্ষিক সফলতাৰ গৰিমামণ্ডিত দিশকে বুজায়। ডিগ্ৰী আৰু ডিপ্ল’মা লাভ কৰা বিদ্যাৰ্থীসকলক শুভকামনা জ্ঞাপন কৰি তেওঁ কয় যে শিক্ষাৰ ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয় অকল ৰাজ্যখনৰে নহয়, দেশ তথা বিশ্বৰ বিদ্যায়তনিক দিশলৈও যথেষ্ট বৰঙণি আগবঢ়াইছে। তেওঁ কয় যে এই বিশ্ববিদ্যালয়ে গৱেষণাৰ ক্ষেত্ৰতো অগ্ৰগামী যাত্ৰা ৰক্ষা কৰিবলৈ সক্ষম হৈছে। সামগ্ৰিক শিক্ষাৰ প্ৰসাৰ আৰু জ্ঞানৰ অভিযানক বাস্তৱ ৰূপ দি সামাজিক, অৰ্থনৈতিক আদি বিভিন্ন ক্ষেত্ৰলৈ উচ্চশিক্ষাৰ প্ৰতিষ্ঠানখনে নতুন দিশৰ সন্ধান দিবলৈও সক্ষম হৈছে। বিশ্বৰ বিভিন্ন দেশৰ শিক্ষাৰ্থীসকলে এই বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ অহাৰ বিষয়টোৱে শিক্ষানুষ্ঠানখনৰ ফলপ্ৰসুতাকে সূচায় বুলি মন্তব্য কৰে। তেওঁ কয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে গৱেষণাৰ বাবে ২৫টাকৈ পেটেণ্ট লাভ কৰিছে। তদুপৰি জি-২০ ৰ অধ্যক্ষতাৰ কাৰ্যসূচীত দেশৰ ৭৬ খন বিশ্ববিদ্যালয়ৰ ভিতৰত ডিব্ৰুগড় বিশ্ববিদ্যালয় তালিকাভুক্ত হৈছে। ইয়ে বিশ্ববিদ্যালয়খনৰ গৌৰৱোজ্জ্বল যাত্ৰাকে সূচায় বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ শৈক্ষিক উন্নয়নৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিব লাগিব। ভাৰতীয় সভ্যতা আৰু সংস্কৃতি অতি শক্তিশালী আৰু তক্ষশীলা, নালন্দাৰ দৰে বিশ্ববিদ্যালয়ে আমাৰ দেশৰ ঐতিহ্যমুখী শিক্ষা ব্যৱস্থাটোৰ শক্তিশালী দিশকে সূচায়। তেওঁ কয় যে ৰাজ্যৰ শৈক্ষিক উত্তৰণৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে। নতুন পৰিৱেশ, ইতিবাচক চিন্তাৰে ৰাজ্যখনে আজি আগবাঢ়িছে। তেওঁ কয় যে ৰাজ্যৰ প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈকে

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

গুণগত শিক্ষাৰ প্ৰসাৰৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে। তেওঁ কয় যে সফলতাৰ আত্মপৰিচয়ৰে যুৱ প্ৰজন্মই মানসিকভাৱে প্ৰস্তুত হ'ব লাগিব। শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰাৰ বাবে নিৰলস প্ৰয়াসৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নৱপ্ৰজন্মই ৰাজ্যখনৰ ইতিবাচক পৰিৱেশ অধিক শক্তিশালী কৰিব পাৰে। যোৱা দুটা বছৰত শান্তি-সম্প্ৰীতিৰ পৰিৱেশ ঘুৰি অহাৰ ফলত আজি ৰাজ্যখনে এটা নতুন চিনাকী লাভ কৰিবলৈ সক্ষম হৈছে আৰু আজি অসমৰ বিষয়ে অন্য ৰাজ্যসমূহত আলোচনা আৰম্ভ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছতাক স্থান দিয়াৰ বাবে আজি শিক্ষাৰ্থীসকলে সাহস আৰু প্ৰেৰণা লাভ কৰিছে। এই নিযুক্তিয়ে শিক্ষা ব্যৱস্থাৰ প্ৰতি নতুন ধাউতিৰ সৃষ্টি কৰিছে। গুণোৎসৱৰ ফলাফলৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ফলাফলে প্ৰমাণ কৰিছে যে ৰাজ্যৰ শিক্ষা ব্যৱস্থাটোৱে আজি নতুন দিশেৰে ধাৱমান হৈছে। তেওঁ কয় যে বিশ্ববিদ্যালয়খনত বহু নতুন সম্ভাৱনা আছে। সেই সম্ভাৱনাসমূহক বিকশাই তুলিব লাগিব। ডিপ্ল'মা, ডিগ্ৰী লাভ কৰা বিদ্যাৰ্থীসকলে সকলো ধৰণৰ প্ৰত্যাহ্বান নেওচি সাহসেৰে আগুৱাই যোৱাৰ বাবে সংকল্পবদ্ধ হ'ব লাগিব। জীৱনৰ বাট সেন্দুৰীয়া নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সংকটপূৰ্ণ পথ অতিক্ৰম কৰিব পাৰিলে উজলি উঠিব পৰা যায়। বিদ্যাৰ্থীসকলে সপোন দেখিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জীৱনত সপোন নেদেখিলে আগবাঢ়ি যাব পৰা নাযায়। তেওঁ কয় যে সুন্দৰক আৰাধনা কৰাৰ সপোন থাকিব লাগিব। জীৱনত লাভ কৰা সফলতাই ভৱিষ্যৎ জীৱনৰ ছবি-কাঠি গঢ়ি তোলে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সম্ভাৱনাপূৰ্ণ ছাত্ৰ-ছাত্ৰী, যুৱশক্তিৰ প্ৰয়োজন আছে, যিয়ে নৱজাগৰণৰ সূচনা কৰিব পাৰে। ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমৰ স্থান নিৰ্ণয় কৰিবলৈ হ'লে অসমৰ নৱপ্ৰজন্মই অৰ্থনৈতিক উত্তৰণ সম্ভাৱনাৰ ক্ষেত্ৰসমূহত আগুৱাই আহিব লাগিব। আন দহজনকো যাতে কৰ্ম সংস্থাপন দিব পাৰে তেনে মানসিকতাৰে কৰ্মত মনোযোগ দিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে আশাই জীৱনক পৰিচালিত কৰে। জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে আমাৰ নৱ প্ৰজন্মই নিজকে আগুৱাই নিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত উপ ৰাষ্ট্ৰপতিৰ সহধৰ্মিনী ড° সুদেশ ধনখড়, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জীতেন হাজৰিকা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, কেইবাগৰাকী বিধায়ক, শিক্ষাবিদ আৰু অন্যান্য গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ**
**০৩/৫/২০২৩**